# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত আজি পুৱাৰ ভাগতে ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ সিদ্ধান্তৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যত সংগীত উৎসৱ পৰ্যটন অৰ্থনীতি গঢ়াৰ বাবে উন্নতমানৰ সংগীতানুষ্ঠান আয়োজনৰ স্থানসমূহ বিশ্বমানৰ পোহৰ আৰু শব্দ প্ৰযুক্তিৰ সৈতে বিকশাই তুলিবলৈ আজিৰ বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যৰ সৌৰশক্তি উৎপাদনৰ সম্ভাৱনাক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ অসম সৌৰশক্তি উৎপাদন প্ৰচাৰ নীতি ২০২৫ত মন্ত্ৰীসভাই অনুমোদন জনাইছে। সেই অনুসৰি ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ ৫০০ মেগাৱাট সৌৰশক্তি উৎপাদন তথা ৰাজ্যত ব্যক্তিগত আৰু ৰাজহুৱা বিনিয়োগক আকৰ্ষণ কৰি প্ৰায় ১৫ হাজাৰ নিয়োগ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে। আজিৰ বৈঠকতে লাচিত বৰফুকন আৰক্ষীৰ একাডেমীৰ উন্নয়নৰ দ্বিতীয় পৰ্যায়ৰ বাবে ২২৯ কোটি ৪১ লাখ টকা ব্যয়ৰ প্ৰশাসনিক অনুমোদন জনায়। দুবছৰৰ ভিতৰত দ্বিতীয় পৰ্যায়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী ৰূপ দিয়াৰ বাবে চহৰখনত নতুন বিধায়িনী পৰিসৰ আৰু বিধায়ক আৱাস নিৰ্মাণৰ বাবে মন্ত্ৰীসভাই ২৮৪ কোটি ৩ লাখ টকা আৱণ্টনত অনুমোদন জনায়। আজিৰ বৈঠকত মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ খনিকৰ ষ্টেডিয়ামৰ আসনৰ সংখ্যা ৫ হাজাৰৰ পৰা ৩৫ হাজাৰলৈ বৃদ্ধি কৰি ইয়াক ৰাজ্যৰ সৰ্ববৃহৎ ষ্টেডিয়াম ৰূপে গঢ়ি তোলাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। খনিকৰ ক্ৰীড়া পৰিসৰ উন্নীতকৰণৰ বাবে মন্ত্ৰীসভাই ২০৯ কোটি ১৩ লাখ টকাৰ আৱণ্টনতো আজি অনুমোদন জনায়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অধীনৰ ৪৭ হাজাৰ ৩০৬ হেক্টৰ অঞ্চলৰ চূড়ান্ত অধিসূচনা প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনায়। এই সম্প্ৰসাৰণৰ অধীনত গোপালঝাৰণি, গোনাইটাপু, ঠুটেচাপৰি, জবৰে, বালিগাঁও, বিশ্বনাথ ঘাট, উমাটুমনি, গাখীৰখাইতী, শিলঘাট আৰু হাতীমূৰা গাঁওসমূহ অন্তৰ্ভুক্তি আওতাৰ বাহিৰত ৰখা হৈছে। আজিৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি অসম চাহ কোম্পানী লিমিটেডৰ চাহ শ্ৰমিকৰ বাবে অহা ১ অক্টোবৰৰ পৰা দৈনিক মজুৰি ২২০ টকাৰ পৰা ২৫০ টকালৈ বৃদ্ধি কৰাৰ কথা মুখ্যমন্ত্ৰী ড০ শৰ্মাই ঘোষণা কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বিভাগৰ উদ্যোগত আজি বৰপেটা ৰোডত জিলাখনৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিকাশ সাধনৰ উদ্দেশ্যে এখন কৰ্মশালা অনুষ্ঠিত হয়। বৰপেটা ৰোড সাহিত্য সভা ভৱনত অনুষ্ঠিত কৰ্মশালাখনত এনে উদ্যোগৰ লগতে ব্যৱসায়িক ক্ষেত্ৰখনৰ সৈতে জড়িত প্ৰায় ৪০০ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সৈতে জড়িত সকলক তেওঁলোকৰ ব্যৱসায়ৰ পৰা সৰ্বোচ্চ লাভ কি দৰে কৰিব পাৰি, সামগ্ৰীৰ বিপণন আৰু বিক্ৰীৰ বাবে চৰকাৰে কেনেধৰণৰ নতুন ব্যৱস্থা গ্ৰহণ কৰিছে আৰু নিজৰ উদ্যোগটোক কেনেদৰে

অধিক উন্নত কৰিব পাৰি আদি দিশবোৰৰ বিষয়ে সমল ব্যক্তিসকলে অৱগত কৰে। এই কৰ্মশালাতে দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হয়।

০০০০০

নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেচনৰ লগতে দেশৰ মুঠ ১০৩ টা ৰে'ল ষ্টেছনক কাইলৈ অমৃত ভাৰত ষ্টেছনলৈ উন্নীত কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ষ্টেছনকেইটা মুকলি কৰিব। উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই আজি নগাওঁত এখন সংবাদমেলযোগে এই বিষয়ে প্ৰকাশ কৰে। পৰহিলৈ এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে অমৃত ভাৰত ষ্টেছন আঁচনিৰ অধীনত, ১৮৮৭ চনতে স্থাপিত হয়বৰগাঁও ষ্টেছনক আধুনিক ৰূপত সজাই তোলা হৈছে। অমৃত ভাৰত ষ্টেছনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেছনসমূহত শ্বপিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

০০০০০

ভাৰতীয় সাহিত্যিক তথা কানাড়া ভাষাৰ গল্পকাৰ বানু মোস্তাকলৈ এই বছৰৰ সন্মানীয় বুকাৰ বঁটা আগবঢ়োৱা হৈছে। গল্পকাৰগৰাকীৰ কানাড়া ভাষাৰ গল্প সংকলনৰ ইংৰাজী অনুবাদ হাৰ্ট লেম্পলৈ এই বঁটা আগবঢ়োৱা হৈছে। কন্নড় গল্প সংকলনখন ইংৰাজীলৈ অনুবাদ কৰা দীপা বস্তিকো বিশিষ্ট গল্পকাৰগৰাকীৰ সৈতে এই বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে বানু মোস্তাক এই বঁটা লাভ কৰা প্ৰথমগৰাকীৰ কন্নড় সাহিত্যিক হিচাপে পৰিগণিত হৈছে। কালি লণ্ডনত আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। ১২টা গল্পৰ সংকলনখনত গল্পকাৰগৰাকীয়ে বিগত ৩০ বছৰত ৰচনা কৰা গল্পসমূহ সন্নিৱিষ্ট কৰা হৈছে। কৰ্ণাটকৰ ইছলাম ধৰ্মাৱলম্বী মহিলাৰ জীৱনশৈলীক উপজীব্য হিচাপে লৈ সৰহ সংখ্যক গল্প ৰচনা কৰা হৈছে। গল্প সংকলনখনে বিশ্বৰ ভিন্ন প্ৰান্তৰ আন পাঁচগৰাকী খ্যাতনামা সাহিত্যিকৰ ৰচনাৰ অনুমোদিত তালিকাৰ পৰা বাছনি লাভ কৰি এই বঁটা লাভ কৰে। ইপিনে, ইংৰাজী অনুবাদৰ বাবে বুকাৰ বঁটা লাভ কৰা দীপা বস্তি প্ৰথমগৰাকী ভাৰতীয় অনুবাদক হিচাপে পৰিগণিত হৈছে। শেহতীয়াকৈ ২০২২ চনত ভাৰতীয় সাহিত্যিক গীতাঞ্জলি শ্ৰী আৰু ইংৰাজী অনুবাদক ডেইজি ৰকৱেলে টম্ব অব চেণ্ডৰ বাবে বুকাৰ বঁটা লাভ কৰিছিল। ১৯৯৭ চনত অৰুন্ধতী ৰয়ে গড অব স্মল থিংছ নামৰ গ্ৰন্থৰ বাবে প্ৰথমগৰাকী ভাৰতীয় হিচাপে বুকাৰ বঁটা লাভ কৰিছিল। ২০২৬ চনত কিৰণ দেশাইয়ে ইনহেৰিটেনছ অব লছ গ্ৰন্থৰ বাবে আৰু ২০০৮ চনত অৰবিন্দ আদিগাই দ্য হোৱাইট টাইগাৰ নামৰ গ্ৰন্থখনৰ বাবে বুকাৰ বঁটা লাভ কৰিছিল। একেদৰে ভাৰতীয় মূলৰ প্ৰথমগৰাকী সাহিত্যিক হিচাপে ১৯৯৩ চনত মিডনাইট চিল্ড্ৰেণ নামৰ গ্ৰন্থৰ বাবে ভি এছ নাইপলে এই বঁটা লাভ কৰিছিল।

০০০০০

সমাপ্ত